**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-FEB-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।	দেশৰ আন্তঃগাঁথনি, প্ৰতিৰক্ষা আৰু কৃত্ৰিম বুদ্ধিমত্তা খণ্ডত বিশেষ গুৰুত্ব প্ৰদানেৰে কালি লোকসভাত ৫৩ দশমিক ৫ লাখ কোটি টকাৰ ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিল।

২।	উত্তৰ-পূবৰ বাবে ধাৰ্য কৰা ড'নাৰ মন্ত্ৰালয়ৰ বাজেট ১৫ শতাংশ বৃদ্ধি। বাজেটক মুখ্যমন্ত্ৰীৰ আদৰণি।

৩।	ৰাজ্যত উন্নত শিক্ষাৰ বাবে সুদৃঢ় ভেটি গঢ়াৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ আজি ৬৭ টা বিদ্যালয় ভৱন উদ্বোধন কাৰ্যসূচী।

৪।	হাইলাকান্দিৰ ঘাৰমূৰা সংৰক্ষিত বনাঞ্চলৰ ডামচৰা অঞ্চলৰ দুহেজাৰ ৮০০ বিঘা ভূমিত আজিৰে পৰা বন বিভাগৰ উচ্ছেদ অভিযান।

**আৰু**

৫।	চিলাপথাৰ আৰু ঢকুৱাখনাত কাইলৈ সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল খেল।

০০০০০০

দেশৰ আন্তঃগাঁথনি, প্ৰতিৰক্ষা আৰু কৃত্ৰিম বুদ্ধিমত্তা খণ্ডত বিশেষ গুৰুত্ব প্ৰদানেৰে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি লোকসভাত ৫৩ দশমিক ৫ লাখ কোটি টকাৰ ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিল কৰে। এইবেলি বাজেটত সৰ্বমুঠ ১২ দশমিক ২ লাখ কোটি টকা মূলধনী ব্যয় হিচাপে ধাৰ্য কৰা হৈছে। এই পৰিমাণ বিগত ১০ বছৰৰ ভিতৰত সৰ্বাধিক। এইবেলি বাজেটত আন্তঃগাঁথনিৰ সংস্কাৰৰ জৰিয়তে সৰ্বাত্মক অৰ্থনৈতিক প্ৰগতি সাধনৰ প্ৰয়াস কৰা হৈছে। চৰকাৰে ২০২৬-২৭ বৰ্ষত বিত্তীয় ঘাটি মুঠ ঘৰুৱা উৎপাদনৰ চাৰি দশমিক তিনি শতাংশ হ'ব বুলি আশা কৰিছে।

এইবাৰ উত্তৰ-পূবৰ বাবে ধাৰ্য কৰা ড'নাৰ মন্ত্ৰালয়ৰ বাজেট ১৫ শতাংশ বৃদ্ধি হৈছে। বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন শিতানৰ মুঠ ১ লাখ ৮ হাজাৰ ৩৩৫ কোটি টকা ধাৰ্য কৰা হৈছে। বাজেটত উত্তৰ-পূবৰ ৫ খন ৰাজ্যত ৫টা বিশেষ পৰ্যটনস্থলী স্থাপন আৰু উন্নয়নৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ লগতে অঞ্চলটোৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে ৪ হাজাৰখন ই-বাছৰ চলাচলৰ বাবেও বাজেটত প্ৰস্তাৱ দিয়া হয়। অসম, অৰুণাচল প্ৰদেশ, ছিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বৌদ্ধধৰ্মৰ সৈতে জড়িত তীৰ্থস্থানসমূহৰ বিকাশৰ আঁচনিতো বাজেটৰ জৰিয়তে অনুমোদন জনোৱা হয়।

মানসিক স্বাস্থ্যৰ চিকিৎসা আৰু উন্নতিৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰি বাজেটত ৰাঁচী আৰু তেজপুৰৰ ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠানকেইটাক আঞ্চলিক শীৰ্ষ প্ৰতিষ্ঠানলৈ উন্নীত কৰাৰ কথা ঘোষণা কৰা হয়। বাজেটত উত্তৰ-পূৰ্বাঞ্চলত এখন নতুন ৰাষ্ট্ৰীয় ডিজাইন প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱো দিয়া হয়। তদুপৰি মৎস্য উন্নয়নৰ বাবে অসমত ৫০০ জলাশয়ৰ বিকাশ ঘটোৱাৰ কথাও উল্লেখ কৰা হৈছে।

কেন্দ্ৰীয় বাজেটত এইবাৰ প্ৰতিৰক্ষা খণ্ডত সৰ্বাধিক ধন ধাৰ্য কৰা হৈছে। প্ৰতিৰক্ষা খণ্ডৰ বাবে ৭ দশমিক ৮-৫ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। ইয়াৰে বুজন সংখ্যক সেনা বাহিনীৰ আধুনিকীকৰণৰ বাবে ব্যয় কৰা হ'ব। অপাৰেচন সিন্দূৰৰ পাছত দেশৰ প্ৰতিৰক্ষা খণ্ডত অধিক আত্মনিৰ্ভৰ আৰু শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে চৰকাৰে প্ৰতিৰক্ষাৰ শিতানত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

বাজেটত স্বাস্থ্যখণ্ডৰ বাবে ১ দশমিক ৬ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত কৈ এইবেলি ১০ শতাংশ অধিক ধন মঞ্জুৰ কৰা হৈছে। এইবেলি স্বাস্থ্য, গৱেষণা বিভাগৰ বাবে ৪ দশমিক ৮ হাজাৰ কোটি ধন আৱণ্টন কৰা হৈছে। কেন্দ্ৰীয় বাজেটত সাৰ বিভাগৰ বাবে ১ দশমিক ৭-১ লাখ কোটি টকা মঞ্জুৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বাজেটক আদৰণি জনাইছে। তেওঁ বাজেটৰ জৰিয়তে অসম যথেষ্ট উপকৃত হ'ব বুলি মন্তব্য কৰে।

বাইট

০০০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষৰ এক এপ্ৰিলৰ পৰা নতুন আয়কৰ আইন কাৰ্যকৰী কৰিব। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি লোকসভাত দিয়া বাজেট ভাষণত এই কথা ঘোষণা কৰে। এই নতুন নিয়মত সামান্য পৰিমাণৰ টকা জমা দিলেই আয়কৰ ৰিটাৰ্ন সংশোধনৰ সুযোগ দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে ৰিটাৰ্ন জমা দিয়াৰ সময়সীমাও বৃদ্ধি কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বাজেটত আইকৰৰ ন্যূনতম ফাঁকিত কাৰাদণ্ডৰ পৰিৱৰ্তে অতিৰিক্ত ১০ টা শতাংশ জৰিমনাৰ প্ৰস্তাৱ আগবঢ়ায়। তেওঁ কয়, যে যিসকলে এক আৰু দুই নম্বৰ ফৰ্মত আইকৰ ৰিটাৰ্ন জমা কৰে তেওঁলোকে নতুন নিয়ম অনুসৰি ৩১ মাৰ্চ পৰ্যন্ত সামান্য জৰিমাৰে দাখিল কৰিব পাৰিব। নতুন নিয়ম অনুসৰি প্ৰবাসী ভাৰতীয়ৰ পৰা কোনোবাই স্থাৱৰ সম্পত্তি ক্ৰয় কৰিলে ক্ৰেতাই দুই শতাংশ টি ডি এছ দিব লাগিব। এইবাৰ বাজেটত মুঠ কৰ ৰাজহ ২৮ দশমিক ৭ লাখ কোটি টকা সংগ্ৰহৰ লক্ষ্য লোৱা হৈছে। অৱশ্যে এইবাৰৰ বাজেটত আইকৰৰ পৰিকাঠামোৰ কোনো পৰিৱৰ্তনৰ কথা সন্নিৱিষ্ট কৰা হোৱা নাই।

০০০০০০

ৰাজ্যত উন্নত শিক্ষাৰ বাবে সুদৃঢ় ভেটি গঢ়াৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভাৰ্চুৱেল ব্যৱস্থাৰে ৬৭ টা বিদ্যালয় ভৱন উদ্বোধন কৰাৰ লগতে ৬২ টা নতুন বিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰিব। সোণাপুৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। ৭৬৫ কোটি টকা ব্যয় সাপেক্ষে এই বিদ্যালয়ৰ নতুন ভৱনসমূহ নিৰ্মাণ কৰি উলিওৱা হৈছে। ভৱনসমূহৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচীত বিধানসভা সমষ্টি অনুসৰি বিধায়কসকলে অংশগ্ৰহণ কৰিব।

আজি মুকলি কৰিবলগীয়া বিদ্যালয়ভৱন সমূহৰ ভিতৰত শোণিতপুৰ জিলাৰ আঠখন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱন আছে। জিলাখনত আজি ৰঙাপাৰা সমষ্টিৰ অন্তৰ্গত খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱনৰ আধাৰশিলা স্থাপন কৰা হ'ব। এই কাৰ্যসূচীত জিলা আয়ুক্ত আনন্দ কুমাৰ দাস উপস্থিত থাকিব।

নতুনকৈ নিৰ্মাণ কৰি বিদ্যালয়সমূহত কম্পিউটাৰ কক্ষ, স্মাৰ্ট শ্ৰেণীকোঠা, অধ্যক্ষৰ কক্ষ, শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণীকোঠা, পৰীক্ষাগাৰ, ল'ৰা-ছোৱালীৰ পৃথক শৌচাগাৰ আদিৰ ব্যৱস্থা আছে। আধুনিক সা-সুবিধাযুক্ত এই শৈক্ষিক আন্তঃগাথনিয়ে বিশ্বমানৰ জ্ঞান অন্বেষণৰ যাত্ৰাত ৰাজ্যৰ শিক্ষাৰ্থীসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

হাইলাকান্দি জিলাৰ ঘাৰমূৰা সংৰক্ষিত বনাঞ্চলৰ ডামচৰা অঞ্চলত আজি বন বিভাগে উচ্ছেদ অভিযান আৰম্ভ কৰিছে। অঞ্চলটোৰ দুহেজাৰ ৮০০ বিঘা ভূমিত উচ্ছেদ চলোৱা হ'ব। প্ৰশাসনে প্ৰথম পৰ্যায়ত ৫, ৬ আৰু ৭ নম্বৰ চেক্টৰত উচ্ছেদ চলাব। এই অভিযানত প্ৰশাসনে আজি ১৫০ টা পৰিয়ালক উচ্ছেদ কৰিব। উল্লেখযোগ্য যে বনাঞ্চলৰ ভূমি অবৈধভাৱে দখল কৰি থকা ৫২০ টা পৰিয়াললৈ বন বিভাগে উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছিল। উচ্ছেদৰ সময়ত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহ'বলৈ অঞ্চলটোত ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰা জাৰি কৰাৰ লগতে বৃহৎ নিৰাপত্তাৰক্ষীৰ দল নিয়োজিত কৰা হৈছে।

০০০০০০

ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডত গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে চিহ্নিত কৰি ৩ হাজাৰ ৩০০ কোটি টকা ব্যয়সাপেক্ষে কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। ইয়াৰ লগতে স্বাস্থ্য খণ্ডৰ নতুন মাত্ৰা সংযোজনেৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ৮৩২ খন বিচনাযুক্ত মাতৃ আৰু শিশু চিকিৎসালয়ৰ উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশ লৈ কয়, যে ১৯৬০ চনত স্থাপন হোৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালখনক উন্নত সা-সুবিধাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা হব আৰু ইয়াৰ ফলত জনসাধাৰণ উপকৃত হ'ব। এই চিকিৎসা মহাবিদ্যালয়খনক দেশৰ ভিতৰতে অন্যতম গুৰুত্বপূৰ্ণ চিকিৎসালয় হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। নতুনকৈ নিৰ্মাণ হ'বলগীয়া ভৱনটোত দুহেজাৰ ২৫০ খন বিছনাযুক্ত সাধাৰণ ৱাৰ্ড, ৪০০ খন বিচনাযুক্ত আছুতীয়া ৱাৰ্ড, ২৮ খন বিছনাযুক্ত জটিল আৰু লঘু অস্ত্ৰোপচাৰ কক্ষ আৰু এহেজাৰ ৬৭০ খন বাহন ৰখাৰ ঠাইৰ সুবিধা থাকিব। লগতে ২৫০ খন বিছনাযুক্ত আই চি ইউ ৱাৰ্ড, ১০০ খন বিছনাযুক্ত জৰুৰীকালীন ৱাৰ্ড আৰু ৰেডিঅ'লজী সেৱাৰ ব্যৱস্থা থাকিব। অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল উপস্থিত থাকে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ লখিমপুৰ জিলাৰ বিহপুৰীয়া বিধানসভা সমষ্টিত আনুষ্ঠানিকভাৱে মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰিব। সমষ্টিটোৰ আত্মসহায়ক গোটৰ ৩০ হাজাৰৰো অধিক মহিলালৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১০ হাজাৰ টকাকৈ আঁচনিৰ প্ৰথম কিস্তিৰ ধন আগবঢ়াব। ইয়াৰ লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনত কেইবাটাও প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। তেওঁ নাৰায়ণপুৰত ৫৭ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মিত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী বদলা পদ্ম আতা কলা তীৰ্থ মুকলি কৰিব। এই প্ৰকল্পৰ বাবে ২২ কোটি টকা ব্যয় কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে তাতিবাহাৰত পিছলা ক্ৰীড়া সন্থা খেলপথাৰত ষ্টেডিয়াম মুকলি কৰিব। এই প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰে ১১ কোটি টকা ব্যয় কৰিছে। ইয়াৰ লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই নাৰায়ণপুৰত শ্ৰীশ্ৰী ধুৱাহাট বেলগুড়ি সত্ৰৰ আন্তঃগাঁথনি উন্নয়নৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পৰ বাবে চৰকাৰে ২০ লাখ টকা ধাৰ্য্য কৰিছে।

০০০০০০

পবা বৰ্ষাৰণ্যৰ সুৰক্ষা আৰু সংৰক্ষণৰ উদ্দেশ্যে জোনাইৰ চিয়াংলালী নৈৰ বেৰা ঘাটৰ পাৰত কালিৰেপৰা তৃতীয় পবা বৰ্ষাৰণ্য প্ৰকৃতি মহোৎসৱ অনুষ্ঠিত হৈছে। মিচিং স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত আৰু জোনাইবাসীৰ সহযোগত চাৰিদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। বনাঞ্চলখনৰ সংৰক্ষণ, ভৱিষ্যত প্ৰজন্মক প্ৰকৃতিৰ সৈতে একাত্ম কৰি তোলা আৰু পৰ্যটনৰ বিকাশৰ উদ্দেশ্যে এই মহোৎসৱ পালন কৰি অহা হৈছে। মহোৎসৱৰ অংশ হিচাপে সজাগতা সভা, প্ৰকৃতি বিষয়ক আলোকচিত্ৰ প্ৰদৰ্শন প্ৰতিযোগিতা, গ্ৰন্থমেলা, বনাঞ্চলত ট্ৰেকিং প্ৰশিক্ষণ, চৰাই চিনাক্তকৰণ আৰু সংৰক্ষণ বিষয়ক কাৰ্যকলাপ, নৌকা বিহাৰকে

ধৰি বিভিন্ন আকৰ্ষণীয় অনুষ্ঠান অনুষ্ঠিত হৈছে। এই সন্দৰ্ভত এগৰাকী উদ্যোক্তাই আমাৰ সংবাদদাতাৰ আগত সবিশেষ জনাইছে–

বাইট

০০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল খেলসমূহ কাইলৈ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ গ্ৰুপ বি পৰ্যায়ৰ অন্তিমখন খেলত কালি ছাৰ্ভিচেছ দলে কেৰালাক ১-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। এই জয়েৰে ছাৰ্ভিচেছে প্ৰতিযোগিতাত ৬ পইণ্ট লাভ কৰি গ্ৰুপ বিৰ কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। চিলাপথাৰত কাইলৈ পুৱা ৯ বজাত তামিলনাডু আৰু পাঞ্জাবৰ মাজত খেল অনুষ্ঠিত হ'ব। দিনৰ ২ বজাত দ্বিতীয়খন খেলত অসম আৰু কেৰালা মুখামুখি হ'ব। ঢকুৱাখনাৰ বিষ্টুৰাম দলে খেলপথাৰত পুৱা ৯ বজাত ৰে'লৱে আৰু ৰাজস্থানৰ মাজত আৰু দিনৰ ২ বজাত বিগত বৰ্ষৰ চেম্পিয়ন পশ্চিম বংগৰ বিৰুদ্ধে ছাৰ্ভিচেছ অৱতীৰ্ণ হ'ব।

০০০০০০

NPR/RNU (02-02-2026) MRN.

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ কালি ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিল, বাংগালুৰুত কৰুণ মৃত্যুক সাৱটি লোৱা অসমৰ চাৰিগৰাকী যুৱ শ্ৰমিকৰ লখিমপুৰত শেষকৃত্য সম্পন্ন আদি বাতৰিসমূহে আজি আটাইবোৰ কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

কেন্দ্ৰীয় বাজেটত অসমৰ বাবে ৫০০ জলাশয়, তেজপুৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ মানসিক স্বাস্থ্য প্ৰতিষ্ঠান, উত্তৰ-পূৰ্বাঞ্চল বৌদ্ধ ছাৰ্কিটৰ সৈতে সংযোগ স্থাপন আদিত গুৰুত্ব দিয়া হৈছে। এই সন্দৰ্ভত **আমাৰ অসম** কাকতে বাতৰি প্ৰকাশ কৰিছে।

বাজেটত বহুবিধ সামগ্ৰীৰ দাম কমিব বুলি উল্লেখ আছে। ইয়াৰে ভিতৰত কৰ্কট ৰোগৰ ১৭ বিধ ঔষধ, বিদ্যুৎচালিত বাহন, সৌৰপেনেলৰ দাম কমিব। বাতৰিটোত **দৈনিক অসম** কাকতে আলোকপাত কৰিছে।

এইবেলি বাজেটত অভিলেখসংখ্যক ৭ লাখ ৮৫ হাজাৰ কোটি টকা প্ৰতিৰক্ষা শিতানত ধাৰ্য কৰা হৈছে। এই বাতৰি **দৈনিক অগ্ৰদূত** কাকতত প্ৰকাশ পাইছে।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি দাখিল কৰা কেন্দ্ৰীয় বাজেটক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন ইতিবাচক বাজেট বুলি অভিহিত কৰিছে। এই বাতৰি **দা ছেণ্টিনেল** কাকতৰ।

কেন্দ্ৰীয় বাজেটত ড'নাৰ মন্ত্ৰালয়ৰ বাবে ছহেজাৰ ৪১২ কোটি ধন ধাৰ্য কৰাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে।

'ঐতিহ্যমণ্ডিত বালিগাঁও জগন্নাথ বৰুৱা আৰ্য বিদ্যালয়ৰ শতবৰ্ষৰ শুভাৰম্ভ' শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে জগন্নাথ বৰুৱা আৰ্য বিদ্যালয়ৰ শৈক্ষিক দিশত যুগুৱা অৰিহণা সন্দৰ্ভত আলোকপাত কৰিছে।

**অসমীয়া খবৰ** কাকতত অখিল গগৈ নেতৃত্বাধীন ৰাইজৰ দলে সমাগত বিধানসভা নিৰ্বাচনক লৈ নিজাববীয়াকৈ ইস্তাহাৰ মুকলি কৰা কাৰ্যত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ বাতৰি প্ৰকাশ হৈছে।

আয়কৰৰ ন্যূনতম ফাঁকিত জে'ল নহয়। অতিৰিক্ত ১০ শতাংশ জৰিমণাৰ প্ৰস্তাৱ দিয়া হৈছে। চলিত বৰ্ষৰ ১ এপ্ৰিলৰ পৰাই এই নতুন আয়কৰ আইন প্ৰযোজ্য হ'ব বুলি **নিয়মীয়া বাৰ্তা** কাকতে বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

জিম্বাবৱেৰ বুলাৱায়'ৰ কুইন্স স্পোৰ্টছ ক্লাবত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ আই চি চি পুৰুষ বিশ্বকাপৰ এখন খেলত কালি ভাৰতে পাকিস্তানক ৫৮ ৰানত পৰাস্ত কৰে। পাকিস্তানে ২৫৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৬ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ আয়ুষ মহাত্রে আৰু খিলান পেটেলে তিনিটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি ৪৯ অভাৰ পাঁচটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৫২ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বেদান্ত ত্ৰিবেদীয়ে ৬৮ ৰান কৰে। এই জয়ৰ সুবাদত ভাৰত চেমিফাইনেলত প্ৰৱেশ কৰে। পৰহিলৈ চেমিফাইনেলত ভাৰত আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা ছয় ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**